No. of Printed Pages—2

40 (ASB)

[19-HBPGKOW–M1S(O) 20M]

MA 1st Semester (Old) Exam., 2019 (W)

ASSAMESE

[MAS-01]

[অসমীয়া সাহিত্যৰ বুৰঞ্জী (আদিৰ পৰা মধ্যযুগলৈ)]

Full Marks : 80

Time : 3 hours

The figures in the margin indicate full marks for the questions

1. তলৰ যি কোনো পাঁচটা প্ৰশ্নৰ উত্তৰ লিখক (প্ৰতিটো ৫০ শব্দৰ ভিতৰত) : 2×5=10

(a) চৰিত-পুথিৰ লেখক ৰামচৰণ ঠাকুৰৰ বিষয়ে এটি টোকা লিখক।

(b) 'দেউধাই বুৰঞ্জী' সম্পৰ্কে এটি টোকা লিখক।

(c) সৰ্বভাৰতীয় প্ৰেক্ষাপটত ভক্তি আন্দোলনৰ বিকাশৰ আঁৰত থকা কাৰণ কেইটামান উল্লেখ কৰক।

(d) শংকৰদেৱে কোনকেইখন গ্ৰন্থৰ পৰা কি কি অংশ অনুবাদ কৰিছিল ?

(e) দুৰ্গাবৰৰ 'গীতি ৰামায়ণ'ত ৰামৰ চৰিত্ৰটো কিদৰে অংকন কৰিছে ?

(f) 'নীতি-লতাঙ্কুৰ' চমু পৰিচয় আগবঢ়াওক।

2. তলৰ যি কোনো **তিনিটা** প্ৰশ্নৰ উত্তৰ লিখক (প্ৰতিটো প্ৰায় ১৫০ শব্দৰ ভিতৰত) : 4×3=12

(a) মনকৰে ৰচনা কৰা 'পদ্মাপুৰাণ' বা 'মনসাকাব্য'ৰ বিষয়ে এটি টোকা লিখক।

(b) শংকৰদেৱে ৰচনা কৰা গীতসমূহৰ বিষয়ে চমুকৈ লিখক।

(c) পাঁচালী সাহিত্য কি? পাঁচালী সাহিত্য সম্পৰ্কে বিভিন্ন পণ্ডিতে আগবঢ়োৱা মতসমূহ চমুকৈ আলোচনা কৰক।

(d) বুৰঞ্জী মানে কি? বুৰঞ্জী সাহিত্যৰ চাৰিটা বৈশিষ্ট্য উল্লেখ কৰক।

3. তলৰ যি কোনো **তিনিটা** প্ৰশ্নৰ উত্তৰ লিখক (প্ৰতিটো প্ৰায় ২৫০ শব্দৰ ভিতৰত) : 6×3=18

(a) চৰ্যাপদ সম্পৰ্কে এটি টোকা লিখক।

(b) মাধৱদেৱৰ তত্ত্বমূলক ৰচনাসমূহৰ বিষয়ে আলোচনা আগবঢ়াওক।

(c) পাঁচালী কবি পীতাম্বৰ দ্বিজৰ পৰিচয় আগবঢ়াওক আৰু তেওঁৰ কাব্যকৃতিৰ চমু আলোচনা কৰক।

(d) চৰিত সাহিত্য কি? চৰিত সাহিত্যৰ বৈশিষ্ট্যসমূহ চমুকৈ আলোচনা কৰক।

4. তলৰ যি কোনো **চাৰিটা** প্ৰশ্নৰ উত্তৰ লিখক (প্ৰতিটো প্ৰায় ৫০০ শব্দৰ ভিতৰত) : 10×4=40

(a) অসমীয়া লোকসাহিত্যৰ শ্ৰেণী বিভাজন কৰি প্ৰতিটো ভাগৰে উদাহৰণসহ বহলাই আলোচনা কৰক।

(b) মাধৱ কন্দলিৰ সাহিত্যকৃতিৰ বিষয়ে আলোচনা আগবঢ়াওক।

(c) শংকৰী যুগৰ কবি কংসাৰি কায়স্থ, সাৰ্বভৌম ভট্টাচাৰ্য, ৰত্নাকৰ কন্দলি আৰু ৰত্নাকৰ মিশ্ৰৰ সাহিত্যকৃতি সম্পৰ্কে এটি প্ৰৱন্ধ লিখক।

(d) নাৰায়ণদেৱৰ কাব্যখনৰ নাম কি? তেওঁৰ সেই কাব্যখনত অসমীয়া সমাজ-জীৱনৰ চিত্ৰ কেনেদৰে প্ৰকাশ পাইছে, বহলাই আলোচনা কৰক।

(e) শংকৰোত্তৰ যুগৰ নাট্য সাহিত্যৰ বিষয়ে এটি আলোচনা আগবঢ়াওক।

★★★